# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 20-09-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

অসমৰ সংগীত জগতত বিশাল শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহ কঢ়িয়াই অনা বিমানখন ছিংগাপুৰৰ পৰা ৰাওনা হৈছে আৰু আজি নিশা প্ৰায় ১২ বজাত নতুন দিল্লী বিমান বন্দৰত বিমানখনে অৱতৰণ কৰিব। ইয়াৰ পাছতে শিল্পীগৰাকীৰ অসম অভিমুখে অন্তিম যাত্ৰা আৰম্ভ হ'ব। শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটীলৈ অনাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আজি সন্ধিয়া প্ৰায় ৬ বজাত নতুন দিল্লীলৈ ৰাওনা হয়। মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাও নতুন দিল্লীলৈ গৈছে।

শিল্পীগৰাকীৰ সন্মানাৰ্থে আজিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক অনুষ্ঠান, আনুষ্ঠানিক কাৰ্যসূচী আৰু ৰাজহুৱা উৎসৱ স্থগিত থাকিব। আজি নতুন দিল্লীলৈ যাত্ৰাৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান, মহানগৰ আৰক্ষী আয়ুক্ত আৰু গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰ কৰ্তৃপক্ষৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৰঙৰ সৈতে কথা পাতিছে। উচ্চায়ুক্তগৰাকীয়ে এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে বুলি তেওঁ প্ৰকাশ কৰে। মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই আজি শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ সকলো দিশ তদাৰক কৰি আজি নিশা ৯ বজাৰ পাছত কোনো অনুৰাগীক জুবিনৰ বাসগৃহলৈ নাযাবলৈ আহ্বান জনাইছে।

আজি গুৱাহাটীলৈ অনাৰ পাছত শিল্পীগৰাকীৰ নশ্বৰ দেহ তেওঁৰ বাসগৃহলৈ নিয়া হ'ব। পৰিয়ালৰ সদস্যৰ সৈতে কিছু সময় কটোৱাৰ পাছত সৰুসজাইত শিল্পীগৰাকীক অনুৰাগীৰ দৰ্শনৰ বাবে ৰখাৰ ব্যৱস্থা কৰা হ'ব। এই সন্দৰ্ভত আজি এখন সংবাদমেলত কামৰূপ মহানগৰ জিলা আয়ুক্ত সুমিত ছট্টাৱানে এইদৰে কয়।

**বাইট**

ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চি আই ডিক অৰ্পণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। এই ঘটনা সন্দৰ্ভত কেইবাখনো থানাত ৰুজু হোৱা গোচৰ তদন্তৰ বাবে চি আই ডিক অৰ্পণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা তদন্তৰ আওতালৈ আহিব বুলি মন্তব্য কৰে। জুবিন গাৰ্গৰ পৰিয়ালে অন্তেষ্টিক্ৰিয়াৰ স্থান গুৱাহাটীৰ আশে পাশে বিচাৰিছে বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে।

কাইলৈ সৰুসজাই অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত অনুৰাগীসকলক পুৱা ৯ বজাৰ পৰা শিল্পীগৰাকীক দৰ্শনৰ সুবিধা দিয়া হ'ব। ক্ৰীড়া প্ৰকল্পটোত প্ৰৱেশ আৰু প্ৰস্থান সন্দৰ্ভত আৰক্ষীয়ে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কাইলৈ শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ থাকিব।

জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে কাইলৈ আৰু পৰহিলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আয়োগে প্ৰকাশ কৰা মতে, কাইলৈ হ'বলগীয়া মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষা স্থগিত ৰখা হৈছে। একেদৰে, পৰহিলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে।

ooooo

গীতেৰে সৰ্বস্তৰৰ জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰা জনগণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত সৃষ্টি হোৱা অপূৰণীয়া শূন্যতাত অসমবাসীয়ে  হাহাকাৰ কৰিছে। আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত জুবিন গাৰ্গৰ জনপ্ৰিয়তা আৰু তেওঁৰ দেহাৱসানে আনি দিয়া শূন্যতা সম্পৰ্কে আলোচনাত অংশ লৈ চিন্ময়ী গোস্বামীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শিল্পীগৰাকী প্ৰতিভাৰে অসমৰ সাংগিতিক ক্ষেত্ৰত এজোপা বৰগছ সদৃশ আছিল। আই আই টি গুৱাহাটীৰ অধ্যাপক ড° উৎপল বৰাই অনুষ্ঠানটিত জুবিন গাৰ্গৰ ছাত্ৰ অৱস্থা আৰু সংগীতৰ সাধনাৰ প্ৰথমছোৱাৰ বিষয়ে উল্লেখ কৰে। সাংবাদিক হীৰেন শৰ্মা আৰু মণি মহন্তই এই অনুষ্ঠানত জুবিন গাৰ্গক সংগীতৰ ধাৰাৰ ক্ষেত্ৰত যুগস্ৰষ্টা আৰু পথ প্ৰদৰ্শনকাৰী বুলি মন্তব্য কৰে। অনুষ্ঠানত ভাস্কৰ জ্যোতি আচাৰ্য্যই কয় যে শিল্পীগৰাকীয়ে অসমৰ কেইবাটাও প্ৰজন্মক সংগীতৰ নতুন ধাৰাৰ প্ৰতি আগ্ৰহী কৰাৰ লগতে অগণন লোকৰ সংবেদনশীলতাক স্পৰ্শ কৰিছে। এই অনুষ্ঠানটোৰ আঁত ধৰে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

oooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগে স্থবিৰ কৰি পেলোৱা বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি আনুষ্ঠানিক সামৰণি পৰে। শিল্পীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত আজি প্ৰচাৰ অভিযান স্তব্ধ হৈ পৰে। শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই সকলো ৰাজনৈতিক দল প্ৰচাৰ অভিযানৰ পৰা বিৰত থাকে। ২২ ছেপ্তেম্বৰত বি টি চিৰ ৪০টা পৰিষদীয় সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

oooooo

সমাপ্ত